**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-SEP-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

——————————————

১। ২০৩১ চনৰ ভিতৰত ৰাজ্যত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ৩০লৈ বৃদ্ধি পাব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঝাৰখণ্ডত প্ৰকাশ।

২। ২০২৭ বৰ্ষৰ গুণোৎসৱৰ সূচীত সাল-সলনি। ১৯ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈ মুঠ ৩টা পৰ্যায়ত ৰাজ্যৰ ৩৫ খন জিলাত গুণোৎসৱ।

৩। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ইভিএমৰ দ্বিতীয় পৰ্যায়ৰ ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়া সম্পন্ন। বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত।

৪। গ্ৰাহকৰ সুবিধাৰ্থে অহা দেওবাৰে ৰাজহুৱা খণ্ডৰ সকলো বেংক আৰু আঞ্চলিক গ্ৰাম্য বেংকসমূহ খোলা ৰখাৰ বাবে কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ৰ সিদ্ধান্ত। **আৰু**

৫। এছিয়ান গেমছত উশুৰ মহিলাৰ ৬০ কিলোগ্ৰাম ওজন শাখাৰ ছান্দা শিতানত ৰ'ছিবীনা দেৱীৰ ৰূপৰ পদক অৰ্জন।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ঝাৰখণ্ডৰ দেওঘৰত বাবা বৈদ্যনাথ মেডিকেল ন্যাস হাস্পতালৰ শুভ উদ্বোধন কৰে। ৭৫০ খন বিছনাযুক্ত এই অত্যাধুনিক হাস্পতালে অঞ্চলটোৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰা হৈছে। বাবা বৈদ্যনাথলৈ শ্ৰদ্ধা নিবেদন কৰি আৰম্ভ কৰা ভাষণত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে বাবা বৈদ্যনাথ মেডিকেল ন্যাস আৰু পি ডি হিন্দুজা হাস্পতাল এণ্ড মেডিকেল ৰিছাৰ্চ চেণ্টাৰৰ যৌথ উদ্যোগত হাস্পতালখন আৰম্ভ কৰা হৈছে। ইয়াত পৰৱৰ্তী সময়ত মেডিকেল কলেজো নিৰ্মাণ কৰা হ'ব বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে হাস্পতালখনে দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকক চিকিৎসা সেৱা প্ৰদানত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। ২০০৬ চনৰ পৰা প্ৰায় ১৫ বছৰ কাল অসমৰ স্বাস্থ্যমন্ত্ৰীৰ দায়িত্ব পালন কৰাৰ অভিজ্ঞতা সুঁৱৰি ড০ শৰ্মাই কয় যে এখন হাস্পতালৰ সফলতাৰ আঁৰত হাস্পতালখনৰ স্থাপত্যৰো গুৰুত্বপূৰ্ণ ভূমিকা থাকে। উদ্বোধন কৰা হাস্পতালখনৰ আই চি ইউ, জৰুৰীকালীন ইউনিট, সাধাৰণ ৱাৰ্ডৰ পৰা আৰম্ভ কৰি সকলো সুবিধাত সন্তুষ্টি প্ৰকাশ কৰি তেওঁ কয় যে ২০১৪ চনৰ পাছত দেশত চিকিৎসা শিক্ষাই যথেষ্ট অগ্ৰগতি লাভ কৰিছে।

**ৰাইট (চি এম)**

ঝাৰখণ্ডত মুখ্যমন্ত্ৰী ড০ শৰ্মাই অসমৰ স্বাস্থ্য খণ্ডৰ ওপৰত গুৰুত্বপূৰ্ণ মন্তব্য কৰি ২০৩১ চনৰ ভিতৰত অসমত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ৩০লৈ বৃদ্ধি পাব বুলি উল্লেখ কৰে। বৰ্তমান ৰাজ্যত ১৬ খন চিকিৎসা মহাবিদ্যালয় আছে আৰু অহা মাহত বঙাইগাঁও জিলাত নতুন চিকিৎসা মহাবিদ্যালয়ৰ শুভাৰম্ভ কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। বৰ্তমান সময়ত অসমত প্ৰতি বছৰে দুহেজাৰ ২০০ গৰাকী চিকিৎসক উত্তীৰ্ণ হৈ মানৱসেৱাত ব্ৰতী হৈ বুলিও ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে। ২০৩১ চনলৈ পৰিকল্পনা কৰা ধৰণে ৰাজ্যত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ৩০লৈ বৃদ্ধি পালে বছৰি ৪ হাজাৰৰো অধিক চিকিৎসক সৃষ্টি হোৱাৰ সম্ভাৱনা আছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০

সমগ্ৰ শিক্ষা অসমে ২০২৭ বৰ্ষৰ গুণোৎসৱৰ সূচীত সাল-সলনি ঘটাইছে। সেই অনুসৰি ১৯ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈ মুঠ ৩ টা পৰ্যায়ত ৰাজ্যৰ ৩৫ খন জিলাত গুণোৎসৱ অনুষ্ঠিত হ'ব। সংশোধিত সূচী অনুসৰি ১৯ ৰ পৰা ২২ জানুৱাৰীলৈ প্ৰথম পৰ্যায়ত ১১ খন জিলাত গুণোৎসৱ অনুষ্ঠিত হ'ব। এই জিলাসমূহৰ ভিতৰত - বিশ্বনাথ, চৰাইদেউ, ডিব্ৰুগড়, পশ্চিম কাৰ্বি আংলং, হোজাই, কামৰূপ, তামুলপুৰ, ওদালগুৰি, হাইলাকান্দি, ধুবুৰী আৰু বাক্সা আছে। ২৫ ৰ পৰা ৩০ জানুৱাৰীলৈ ১৩ খন জিলা ক্ৰমে – গোলাঘাট, যোৰহাট, বৰপেটা, বজালী, কাৰ্বি আংলং, কোকৰাঝাৰ, লখিমপুৰ, নগাঁও, শিৱসাগৰ, শ্ৰীভূমি, দক্ষিণ শালমাৰা মানকাচৰ, কামৰূপ মহানগৰ আৰু শ্ৰীভূমিত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। একেদৰে ২ ৰ পৰা ৫ ফেব্ৰুৱাৰীলৈ ১১ খন জিলা - বঙাইগাঁও, কাছাৰ, চিৰাং, দৰং, ডিমাহাচাও, ধেমাজি, গোৱালপাৰা, মৰিগাঁও, মাজুলী, নলবাৰী আৰু শোণিতপুৰত তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব।

০০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ইভিএমৰ দ্বিতীয় পৰ্যায়ৰ ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়া কালি সম্পন্ন হয়। নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত দুয়োখন নিৰ্বাচনী জিলাৰ বাবে এই প্ৰক্ৰিয়া নগাঁও জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। এই প্ৰক্ৰিয়াত নিৰ্বাচনী সাধাৰণ পৰ্যবেক্ষক আৰু ৰাষ্ট্ৰীয় তথা ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি উপস্থিত থাকে। উল্লেখযোগ্য যে ইভিএমসমূহত ভোটগ্ৰহণ কেন্দ্ৰৰ নম্বৰ সংযোজন কৰা হৈছে আৰু নগাঁও আৰু মৰিগাঁও দুয়োখন জিলাতে ভোটগ্ৰহণ কেন্দ্ৰভিত্তিক ইভিএমসমূহৰ পৃথকীকৰণৰ কাম চলি আছে। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত আছে। ৰাজনৈতিক দলসমূহে সমষ্টিটোৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলাই ভোটদাতাসকলৰ মন জয় কৰাৰ চেষ্টা চলাইছে। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দেৱাশীষ শৰ্মাৰ হৈ কালি মন্ত্ৰী তথা তাৰকা প্ৰচাৰকে নিৰ্বাচনী প্ৰচাৰ চলায়। মন্ত্ৰী পীযুষ হাজৰিকাই ৰহা বিধানসভা সমষ্টিৰ ঘাঁহি মুকলি মঞ্চত আয়োজিত প্ৰচাৰ সভাত অংশ লয়। মন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ দৰে ভৱিষ্যতেও ৰাইজৰ কল্যাণৰ বাবে সমৰ্পিত মনোভাৱেৰে কাম কৰিবলৈ সংকল্পবদ্ধ বুলি উল্লেখ কৰি কংগ্ৰেছৰ দীঘলীয়া শাসনকালৰ সমালোচনা কৰে। বৰ্তমান সময়ত চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ জৰিয়তে জনসাধাৰণ উপকৃত হৈছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীহাজৰিকাই ৰহাৰ কাকমাৰী মুকলি মঞ্চত আন এখন নিৰ্বাচনী সভাতো অংশ লয়।

সাংসদ তথা অসম ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া ৰূপহীহাট বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰঘূলিত কালি এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লৈ বিজেপি প্ৰাৰ্থী দেৱাশীষ শৰ্মাৰ হৈ প্ৰচাৰ চলায়। এই নিৰ্বাচনী প্ৰচাৰ সভাত বিধায়ক প্ৰদ্যুৎ বৰদলৈ, দিপ্লুৰঞ্জন শৰ্মাৰ লগতে ৰাজ্যিক বিজেপিৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই অংশ লয়।

কংগ্ৰেছৰ প্ৰাৰ্থী শিৱামণি বৰাৰ সমৰ্থনতো বিভিন্ন স্থানত প্ৰচাৰ চলোৱা হৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে কালি জাগীৰোড আৰু মায়ং ব্লক কংগ্ৰেছ কমিটীৰ উদ্যোগত কংগ্ৰেছ প্ৰাৰ্থী শিৱামণি বৰাৰ হৈ প্ৰচাৰ চলায়। এই নিৰ্বাচনী প্ৰচাৰ সভাত সাংসদ ৰকিবুল হুছেইন, জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা চত্তিশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেলো উপস্থিত আছিল।

০০০০০০

গ্ৰাহকসকলৰ সুবিধাৰ্থে অহা দেওবাৰে ৰাজহুৱা খণ্ডৰ সকলো বেংক আৰু আঞ্চলিক গ্ৰাম্য বেংকসমূহ খোলা থাকিব বুলি কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ২৬ আৰু ২৭ ছেপ্তেম্বৰৰ সাপ্তাহান্তিক বন্ধৰ পাছতে বেংক কৰ্মচাৰী সংগঠনসমূহে ২৮ৰ পৰা ৩০ ছেপ্তেম্বৰলৈ আহ্বান জনোৱা তিনিদিনীয়া ধৰ্মঘটৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত লোৱা হৈছে। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ভাৰতীয় ৰিজাৰ্ভ বেংকে অহা দেওবাৰে বেংকৰ শাখা, কাৰ্যালয়, এটিএম সংলগ্ন শাখা আৰু মুদ্ৰা ভঁৰালসমূহ সম্পূৰ্ণৰূপে কাৰ্যক্ষম কৰি ৰখাত

অনুমোদন জনাইছে। চৰকাৰ আৰু বেংক ব্যৱস্থাপনা কৰ্তৃপক্ষই কৰ্মচাৰী সংগঠনসমূহক প্ৰস্তাৱিত ধৰ্মঘট উঠাই ল'বলৈ আহ্বান জনাইছে। চৰকাৰে লগতে অত্যাৱশ্যকীয় বেংকিং সেৱাসমূহ বাধাৰহিতভাৱে অব্যাহত থকাটো নিশ্চিত কৰাৰ বাবে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱা তথা দেশসেৱাৰ মন্ত্ৰৰে কৰা যাত্ৰাৰ ২৫ বছৰ সম্পূৰ্ণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে সেৱা আৰু সুশাসনৰ দৃষ্টিভংগীৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে অবিৰতভাৱে কাম কৰি আহিছে। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত সামগ্ৰিক উন্নয়ন আৰু সামাজিক সৰলীকৰণৰ জৰিয়তে দেশৰ জনসাধাৰণৰ জীৱন ধাৰণৰ আমূল পৰিৱৰ্তন ঘটোৱাৰ প্ৰয়াস কৰা হৈছে। এনে প্ৰয়াসৰ অংশ হিচাপে অসমসহ উত্তৰ-পূৰ্বাঞ্চলতো ভালেমান উন্নয়নমূলক কাৰ্যসূচী আৰু প্ৰকল্প ৰূপায়িত হৈছে। এনে এখন আঁচনিৰ ভিতৰত ২০১৬ চনৰ ১৬ জানুৱাৰীত প্ৰৱৰ্তন কৰা ষ্টাৰ্টআপ ইণ্ডিয়া অন্যতম। এই আঁচনিৰ জৰিয়তে অসমৰ ভালেসংখ্যক লোকে সাফল্য লাভ কৰিছে আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো সুনাম অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। এই সন্দৰ্ভত আমাৰ এটি চমু প্ৰতিবেদন -

**(প্ৰতিবেদন)**

০০০০০০

দিছপুৰৰ জনতা ভৱনত মন্ত্ৰী অতুল বৰাই কালি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিভিন্ন স্তৰৰ লগতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু গোলাপ বৰবৰা ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানত খালী থকা পদসমূহৰ বিষয়ে এই বৈঠকত পৰ্যালোচনা কৰে। বিভাগটোত স্বচ্ছ, নিকা আৰু মেধাৰ ভিত্তিক নিযুক্তি প্ৰক্ৰিয়া ক্ষিপ্ৰতাৰে সম্পন্ন কৰিবলৈ জ্যেষ্ঠ বিষয়াসকলক শ্ৰীবৰাই নিৰ্দেশ দিয়ে। লগতে বিভাগটোৰ বিভিন্ন পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকলৰ পদোন্নতি প্ৰক্ৰিয়া সন্দৰ্ভতো আলোচনা কৰা হয়। প্ৰযোজ্য নিয়ম আৰু বিধি অনুসৰি যোগ্য বিষয়া-কৰ্মচাৰীসকলক সময় মতে প্ৰাপ্য পদোন্নতি দিয়াৰ বাবে বিষয়াসকলক গুৰুত্ব সহকাৰে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। এই বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত, সচিব, গোলাপ বৰবৰা ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ সঞ্চালক আৰু কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত আছিল।

০০০০০০

মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীৰ নিৰ্দেশমৰ্মে আনন্দৰাম বৰুৱা ভাষা কলা সাংস্কৃতিক সংস্থাৰ উদ্যোগত অসমৰ জনগোষ্ঠীয় ভাষালৈ জিকিৰ আৰু জাৰী অনুবাদৰ তৃতীয় তথা অন্তিম পৰ্যায়ৰ কৰ্মশালা কালিৰে পৰা দুদিনীয়াকৈ উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰত অনুষ্ঠিত হৈছে। কাৰ্বি, দেউৰী, বড়ো, মিছিং, তিৱা আৰু ৰাভা ভাষালৈ জিকিৰ আৰু জাৰী অনুবাদ কৰা হ'ব। এই কৰ্মশালাত আটাইকেইটা জনগোষ্ঠীৰ সমল ব্যক্তিসকলে অংশগ্ৰহণ কৰিছে। কৰ্মশালাৰ উপদেষ্টা হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড০ এম কামালুদ্দিন, ড০ বিভা ভৰালীয়ে অংশগ্ৰহণ কৰিছে। আনন্দৰাম বৰুৱা ভাষা কলা সাংস্কৃতিক সংস্থাৰ উদ্যোগত ২০২৫ চনতে এই কৰ্মশালা আৰম্ভ কৰা হৈছিল। এই কৰ্মশালাত চূড়ান্ত অনুবাদৰ পাছতে জনজাতীয় ভাষাসমূহলৈ জিকিৰ আৰু জাৰী অনুবাদ কৰি গ্ৰন্থ হিচাপে প্ৰকাশ কৰা হ'ব বুলি আনন্দৰাম বৰুৱা ভাষা কলা সাংস্কৃতিক সংস্থাৰ সঞ্চালক ড০ যোগেশ কাকতিয়ে জানিবলৈ দিছে।

০০০০০০

নগাঁও জিলাৰ পুৰণিগুদামৰ কেঞোপট্টিত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত তিনিজন লোকৰ মৃত্যু হয়। দুৰ্ঘটনা সংঘটিত হোৱা বাহনখন জ্বলি উঠাৰ বাবে বাহনখনৰ ভিতৰত তিনিজন লোক অগ্নিদগ্ধ হৈ মৃত্যুমুখত পৰে। দুৰ্ঘটনাত গুৰুতৰভাৱে আহত আন দুজন লোকক ততাতৈয়াকৈ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। অৰুণাচল

প্ৰদেশৰ পৰা গুৱাহাটী অভিমুখে আহি থকা বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ মাজত থকা এটা খুঁটাত খুন্দা মৰাৰ ফলতে এই দুৰ্ঘটনাটো সংঘটিত হয়।

০০০০০০

ভাৰতৰ ৰ'ছিবীনা দেৱীয়ে জাপানৰ আইচি-নাগোয়াত অনুষ্ঠিত এছিয়ান গেমছত উশ্বুৰ মহিলাৰ ৬০ কিলোগ্ৰাম ওজন শাখাৰ ছান্দা শিতানত ৰূপৰ পদক অৰ্জন কৰিছে। ৰ'ছিবীনাই আজি ফাইনেলত চীনৰ ঝাংগ শ্বিয়াঅ'য়ুৰ হাতত ০-২ ফলাফলত পৰাভূত হয়। খেলুৱৈগৰাকীয়ে এছিয়ান গেমছৰ ইতিহাসত এইবাৰকে ধৰি ৩ টা পদক অৰ্জন কৰিছে। ৰ'ছিবীনাই ইয়াৰ পূৰ্বে ২০২৩ চনত অনুষ্ঠিত হাংঝৌ এছিয়ান গেমছত ৰূপৰ আৰু ২০১৮ চনত অনুষ্ঠিত জাকাৰ্টা-পালেমবাং এছিয়ান গেমছত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ইপিনে, ভাৰতৰ সৎনাম সিং আৰু চলমান খানে পুৰুষৰ নৌচালনাৰ স্কলছৰ ডাব্‌লছত ব্ৰঞ্জৰ পদক লাভ কৰিছে। ভাৰতীয় যুটিটোৱে এহেজাৰ ৫০০ মিটাৰলৈকে দ্বিতীয় স্থানত থাকে যদিও শেষৰ ৫০০ মিটাৰত তৃতীয় স্থানলৈ অৱনমিত হয়। ইয়াৰ পূৰ্বে সৎনাম সিঙে হাংঝৌ এছিয়ান গেমছত পুৰুষৰ কোৱাড্ৰুপল স্কলছত ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

প্ৰতিযোগিতাত আজি কেইবাগৰাকীও ভাৰতীয় খেলুৱৈ ভিন ভিন শিতানত পদক লাভৰ বাবে চেষ্টা চলাব। এথলেটিক্‌ছত আশা ইলাংগো আৰু নীহাৰিকা বশিষ্ঠ মহিলাৰ ট্ৰিপ'ল জাম্পৰ ফাইনেলত অৱতীৰ্ণ হোৱাৰ বিপৰীতে সীমা মহিলাৰ ১০ হাজাৰ মিটাৰ দৌৰৰ ফাইনেলত দেশৰ হকে গৌৰৱ অৰ্জনৰ চেষ্টা চলাব। একেদৰে অনিমেষ কুজুৰ আৰু গুৰিন্দৰবীৰ সিঙে আজি পুৰুষৰ ১০০ মিটাৰ দৌৰত অভিযান আৰম্ভ কৰিব।

পুৱা ৯ বাজি ৪৫ মিনিটত হ'বলগীয়া পুৰুষৰ কাবাডীৰ গ্ৰুপ-এৰ এখন খেলত ভাৰত চীনা টাইপেইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। স্কোৱাছত পুৱা চাৰে ১০ বজাত হ'বলগীয়া মহিলাৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত তনভী খান্না আৰু অনাহট সিঙে দেশৰ হকে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। দিনৰ ১১ বাজি ১৫ মিনিটত অভয় সিং আৰু বীৰ চোট্‌ৰাণী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। ভাৰতৰ পুৰুষ হকী দলটো দিনৰ চাৰে ১১ বজাত হ'বলগীয়া পুল-এৰ এখন খেলত দক্ষিণ কোৰিয়াৰ সন্মুখীন হ'ব। একেদৰে বিয়লিৰ ভাগলৈ হ'বলগীয়া সাঁতোৰৰ পুৰুষৰ ৫০ মিটাৰ বাটাৰফ্লাই শিতানত বেনেডিক্টন বেনিষ্টন প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব।

০০০০০০

**১৯** জানুৱাৰীৰ পৰা ৫ ফেব্ৰুৱাৰীলৈ ৰাজ্যত গুণোৎসৱ, বিহাৰৰ প্ৰাক্তন মন্ত্ৰী মংগল পাণ্ডেক অসমৰ নিৰ্বাচনৰ দায়িত্ব বিজেপিৰ, ২৭ ছেপ্তেম্বৰত দেওবাৰেও খোলা থাকিব বেংক, পহিলা জানুৱাৰীৰ ভিতৰত চৰকাৰী কাৰ্যালয়ক কাগজবিহীন ই-অফিচ কৰাৰ সিদ্ধান্ত- আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহত স্থান লাভ কৰিছে। জি-২০ সন্মিলনত ভাগ ল'বলৈ ডিচেম্বৰত আমেৰিকালৈ যাব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী- **নিয়মীয়া বাৰ্তা** কাকতখনে এই বাতৰি প্ৰকাশ কৰিছে। ভোটাৰ তালিকাৰ এছ আই আৰক লৈ দেশজুৰি বিতৰ্কৰ মাজতে ভাৰতীয় নিৰ্বাচন আয়োগৰ ভিতৰতে ঘটা মতভেদৰ তথ্য পোহৰলৈ অহাৰ বাতৰি এটা **ডি আছাম ট্ৰিবিউন** আৰু **আমাৰ অসম** কাকতৰ লগতে প্ৰায় আটাইকেইখন কাকতেই গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে এই বাতৰি মুখ্য নিৰ্বাচন আয়ুক্তৰ বিৰুদ্ধে দুই আয়ুক্তৰ বিদ্ৰোহ- নিৰ্বাচন আয়োগৰ ভয়ংকৰ জালিয়াতি ফাদিল-এই শিৰোণামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ঝাৰখণ্ডৰ দেওঘৰত বাবা বৈদ্যনাথ মেডিকেল ট্ৰাষ্ট হস্পিতালৰ উদ্বোধন কৰি ২০৩১ চনৰ ভিতৰত অসমৰ মেডিকেল কলেজত এম বি বি এছৰ আসন ৪০০০ হ'ব বুলি ঘোষণা কৰাৰ বাতৰি **অসমীয়া খবৰ** কাকতখনে প্ৰকাশ কৰিছে। উত্তৰ-পূব সীমান্ত ৰেলৱেই আগিয়াঠুৰী-কামাখ্যা ষ্টেচনৰ মাজত ৰেলপথ দ্বৈতকৰণসহ দ্বিতীয়খন শৰাইঘাট পথ তথা ৰেল দলং প্ৰকল্প ৰূপায়ণ কৰি থকাৰ বাতৰি এটা **দৈনিক অগ্ৰদূত** আৰু **ডা চেন্টিনেল** কাকতদুখনে সবিস্তাৰে প্ৰকাশ কৰিছে। ভূমিৰ গৰাকীৰ আবেদন নিস্পত্তি নকৰাকৈ চৰকাৰে ভূমি অধিগ্ৰহণ কৰিব নোৱাৰিব-

উচ্চ ন্যায়ালয়ে দিয়া এই গুৰুত্বপূৰ্ণ ৰায়ৰ বাতৰি **দৈনিক অসম** কাকতে প্ৰকাশ কৰিছে। সমগ্ৰ দেশত প্ৰস্তুত কৰা **২২১** বিধ ঔষধৰ নমুনা গুণগত মানৰ পৰীক্ষাত ব্যৰ্থ হোৱাৰ উদ্বেগজনক বাতৰি এটা **দৈনিক জনমভূমি** কাকতখনে প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পশ্চিম-মধ্য আৰু ইয়াৰ গাতে লাগি থকা উত্তৰ-পশ্চিম বংগোপসাগৰত সৃষ্টি হোৱা নিম্ন চাপৰ প্ৰভাৱত অসমৰ অধিকাংশ ঠাইত মজলীয়া বৰষুণৰ লগতে ঠাই বিশেষ বিজুলী-ঢেৰেকণিৰে ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি সকীয়াই দিছে। বিভাগে পূব কাৰ্বি আংলং আৰু ডিমা হাচাওৰ কোনো কোনো ঠাইত প্ৰবল বৰষুণ হ'ব পাৰে বুলিও বিভাগে প্ৰকাশ কৰিছে।

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকণিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়, অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**